# কঠোপনিষদত ব্ৰহ্মজিজ্ঞাসাঃ
# যম-নচিকেতা সংবাদত প্ৰেয় আৰু শ্ৰেয়ৰ বাৰ্তাৰে-

*অঞ্জনা চলিহা*

**সংক্ষিপ্তসাৰ**

ভাৰতীয় দাৰ্শনিক চিন্তাধাৰাত কঠোপনিষদৰ যম-নচিকেতা সংলাপক এক গুৰুত্বপূৰ্ণ অধ্যায় হিচাপে বিবেচনা কৰিব পৰা যায়। কঠোপনিষদত যজমান বাজশ্ৰৱসে সৰ্বস্ব দান দিব লগা যজ্ঞ কৰিছে। নিজৰ অধিকাৰৰ সম্পদবোৰ দান দি থাকোঁতে পুতেক নচিকেতাক কাক দিব বুলি নচিকেতাই সোধাত খঙতে যমক দিব বুলি কয়। ফলত নচিকেতা গৈ যমৰাজ্য পায়গৈ। যমে জীৱন্ত অতিথিজনক তিনিটা বৰ ল'বলৈ কয়। নচিকেতাই বিচৰা তৃতীয় বৰৰ কথা শুনি যম বিপাঙত পৰি তেওঁক তাৰ বাহিৰে অন্য ধন-সম্পত্তি সকলো দিব খোজে। কিন্তু নচিকেতাই পাৰ্থিৱ সম্ভোগ বা প্ৰেয়ক তুচ্ছ কৰি অপাৰ্থিৱ অমৰত্বৰ জ্ঞান বা শ্ৰেয়হে বিচাৰি থাকে। তেওঁক জানিবলৈ লাগে মৃত্যুৰ ৰহস্যহে। যমে নচিকেতাক প্ৰেয় নিবিচাৰি শ্ৰেয় বিচৰাৰ বাবে প্ৰশংসা কৰে। যমে নচিকেতাক অশ্বাশ্বত আৰু শ্বাশ্বতৰ পাৰ্থক্য বুজাই আত্মাৰ অমৰত্বৰ কথাৰে মৃত্যুৰ ৰহস্যৰ জ্ঞান দিয়ে- যি কঠিন পথৰ কথা — "ক্ষুৰস্যধাৰা নিশিতা দূৰত্যয়া দুৰ্গং পথস্তৎ কবয়ো বদন্তি।।" অতি কঠিন এই পথ তীক্ষ্ণ ক্ষুৰধাৰ বুলি অবিৰত চেষ্টাত জাগ্ৰত হৈ থাকিবলৈ উপদেশ দিয়ে। এই গৱেষণা পত্ৰখনৰ জৰিয়তে যম আৰু নচিকেতাৰ মাজত হোৱা আলোচনাৰ মাধ্যমেৰে শ্ৰেয়-প্ৰেয়ৰ ধাৰণা আৰু বৰ্তমান পৰিস্থিতিত ইয়াৰ প্ৰাসংগিকতা দেখুৱাবলৈ প্ৰয়াস কৰা হৈছে।

**বীজ শব্দ ঃ** মৃত্যু ৰহস্য, যম- নচিকেতা, আত্মাৰ অমৰত্ব, প্ৰেয় আৰু শ্ৰেয়ৰ শিক্ষা, বিদ্যা- অবিদ্যা, আত্মজ্ঞান

**অৱতৰণিকাঃ**

প্ৰধান উপনিষদ কেইখনৰ ভিতৰতে কঠোপনিষদ প্ৰসিদ্ধ। পাশ্চাত্য পণ্ডিতে এই উপনিষদক "One of the perfect specimens of the mystic philosophy and poetry of the ancient Hindus" বুলি কৈছে (Mehta, 1970, p. 50)। এই উপনিষদখনে বিশ্বব্যাপ্ত প্ৰসিদ্ধি লাভ কৰাৰ মূল কাৰণ হৈছে মানুহে সদায় জানিবলৈ বিচাৰি থকা অজ্ঞেয় "মৃত্যু"ৰ বিষয়টো ইয়াৰ প্ৰধান প্ৰতিপাদ্য।

**মুখ্য বিষয়ৰ আলোচনাঃ**

যজুৰ্বেদৰ তৈত্তিৰীয় সম্প্ৰদায়ৰ অন্তৰ্গত কঠোপনিষদ আৰম্ভ হৈছে এটা অতি মনোগ্ৰাহী গল্পেৰে। বাজশ্ৰৱস (অন্য নাম গৌতম তথা ঔদ্দালকী আৰুণী) নামৰ এজন ব্ৰাহ্মণে তেওঁৰ গৃহস্থাশ্ৰমৰ মঙ্গল কামনাৰে এটা যজ্ঞৰ আয়োজন কৰিছিল। সেই

যজ্ঞত নিজৰ সৰ্বস্ব দান দিব লাগে। ব্ৰাহ্মণজনৰ পুত্ৰ নচিকেতাই মন কৰিলে যে পিতাকে তেওঁৰ গৰু দান কৰিছে, কিন্তু নিশকতীয়া বুঢ়ী, বাজী-গাইকিজনীহে দানৰ বাবে সাজু কৰিছে। এনে কৃপণালিৰে দান কৰিলে পিতাকৰ যজ্ঞ কৰ্ম সফল নহ'ব বুলি তেওঁৰ ভাব হ'ল। আৰু সৰ্বস্ব দান দিব লাগে যেতিয়া নিজ পুত্ৰ ৰূপ সম্পত্তিকো দিব লাগিব। সেয়ে নচিকেতাই পিতাকক সোধে, "পিতা, মোক কোন দেৱতাক দান দিবা?" পিতাকে উত্তৰ নিদিয়াত আকৌ সোধে, "কাক দিবা মোক?" বাৰে বাৰে এইদৰে সুধি থকাত খং আৰু বিৰক্তিৰে বাজশ্ৰৱসে ক'লে, "তোক যমক দিম।" পিতাকৰ কথা শুনি দান সাৰ্থক কৰিবলৈ তেওঁ যমৰ ওচৰলৈ যাবলৈ সাজু হ'ল আৰু পিতাকক ক'লে, "মোৰ আগতো বহুত মানুহ যমৰ ঘৰলৈ গৈছে, মোৰ পিচতো বহুত যাব। শস্য পকে, সৰে আৰু সময়ত আকৌ গজে। মানুহৰো একেই কথা।"

নচিকেতা গৈ যমৰ নিবাস পালেগৈ। কিন্তু তাত তেতিয়া যম নাছিল। যম-নগৰী, সংযমনীৰ যম নিবাসলৈ যোৱা জীৱন্ত অতিথিজনে গৃহস্থৰ পৰা পাব লগা পানী টুপীও খাবলৈ পোৱা নাছিল। তিনিদিনৰ পিচত যমৰাজ আহি পাওঁতে অনুচৰবৰ্গই তেওঁক জনায় যে এজন তৰুণ অতিথি তেওঁৰ অপেক্ষাত আছে। অতিথিক আপ্যায়ন কৰিব লাগে। যমৰাজে লৰালৰিকে নচিকেতাৰ কাষলৈ আহে আৰু কয়, "তুমি মোৰ ঘৰত তিনি দিন অভুক্ত হৈ আছা, মই ঋণী হ'লো। এতিয়া তুমি তিনিটা বৰ মোৰ পৰা লোৱা।" নচিকেতাই প্ৰথম বৰ খোজে, "মই এই প্ৰেতলোকলৈ অহাৰ বাবে যেন পিতাৰ লগত মোৰ সম্পৰ্ক ছিন্ন নহয়, তেওঁৰ লগত মোৰ পিতাপুত্ৰৰ সম্বন্ধ আগৰ দৰেই থাকে যেন। যমৰজাই "তথাস্তু" বুলিলে আৰু কয় যে "তুমি যমৰাজ্যৰ পৰা উলটি যাব পাৰিবা আৰু প্ৰেতৰাজ্যৰ পৰা যোৱাৰ পিচতো তোমাৰ পিতাই তোমাক পুত্ৰ বুলি আদৰি ল'ব, তোমাৰ ওপৰত তেওঁৰ একো ক্ৰোধ নাথাকে" (Mehta, 1970, p. 50)।

নচিকেতাই দ্বিতীয় বৰটো খোজে, "হে ধৰ্মৰাজ স্বৰ্গকামনা কৰা যজমান সকলে যি অগ্নিবিদ্যাৰ সহায়ত স্বৰ্গলাভ কৰে মই সেই বিষয়ে জানিব খোজোঁ। দ্বিতীয় বৰ মোক সেইটো দিয়ক।" যমৰজাই "সেয়ে হওক" বুলি অগ্নিযজ্ঞ আৰু আনুষংগিক সকলো কথা নচিকেতাক অৱগত কৰিলে। নচিকেতাক যমে দিয়া জ্ঞানখিনি সম্পূৰ্ণ দোহাৰি শুনোৱাত ধৰ্মৰাজ সন্তুষ্ট হয় আৰু তেওঁক এটা পুৰস্কাৰ দিয়ে এইবুলি কৈ, "এতিয়াৰ পৰা এই অগ্নি তোমাৰ নামেৰে পৰিচিত হ'ব "নচিকেতা অগ্নি" নামেৰে। এইবাৰ নচিকেতাক যমে তৃতীয় বৰ প্ৰাৰ্থিবলৈ কয়। নচিকেতাই কয় তৃতীয় বৰত মোক জ্ঞান লাগে মৃত্যুৰ ৰহস্যৰ। মৃত্যুৰ পিছত আচলতে কি হয়, জীৱ তেতিয়া আত্মাৰূপে কেনেকৈ থাকে নে মৃত্যুত সকলো শেষ হৈ যায়? মৃত্যুৰ ৰহস্যৰ বাহিৰে অন্য বৰ খুজিবলৈ যমে নচিকেতাক অনুৰোধ কৰে। কিন্তু নচিকেতাক অন্য একো নালাগে।

মানুহে "মানুহ" ৰূপে নিজকে পোৱাৰ পৰাই চিন্তা কৰিবলৈ শিকিছে আৰু সেই অনাদি কালৰ পৰা আৰম্ভ কৰি এতিয়াৰ বিজ্ঞানৰ জয়যাত্ৰাৰ দিনলৈকে "মৃত্যু" হৈ আছে মানৱৰ বাবে এক ৰহস্য মাথো। মৃত্যুক জয় কৰিব নোৱাৰি মানুহে তেওঁৰ পাৰ্থিৱ অস্তিত্বক দীঘলীয়া কৰিবলৈকে চাইছে। যেনে তেনে প্ৰকাৰে মৃত্যুৰ আগমন পিছুৱাই দিছে। কিয়নো যেতিয়া কোনো জনৰ কাষলৈ মৃত্যু আহি পায়হি তেতিয়া তেওঁতকৈ অসহায় আৰু কোন থাকিব?

মৃত্যু হৈছে এনে এক মুহূৰ্ত যাৰ কথা তাৰ আগমুহূৰ্তলৈকে গম নাপায়। সেয়ে "মৃত্যুভয়" মানুহৰ অনবৰতে থাকে, এই কথাক যোগদৰ্শনে কৈছে "অভিনিৱেশ" বুলি। যোগদৰ্শনে এই অভিনিৱেশ বা জীৱনৰ প্ৰতি আসক্তি (মৃত্যুৰ অনিবাৰ্য্যতাৰ বাবেই আমাৰ জীৱনলৈ একান্ত আসক্তি) বা মৃত্যুভয়ক যোগ-সমাধি আহৰণৰ প্ৰতিবন্ধক বুলিছে আৰু অবিদ্যা, অস্মিতা, ৰাগ, দ্বেষৰ লগতে শ্ৰেণীভুক্ত কৰি পঞ্চক্লেশত অভিনিৱেশকো ঠাই দিছে, যোগ আহৰণত বাধা প্ৰদান কৰা অন্যতম অন্তৰায় বুলি।

মানৱজীৱনত আমালৈ আহিবলগীয়া বা আমাৰ প্ৰাপ্যবিলাকৰ ভিতৰত অতিকৈ নিশ্চিত হৈছে "মৃত্যু" আৰু সেই মৃত্যুৰ

আগমন হৈছে একেবাৰে অনিশ্চিত। কোন সময়ত, কালৈ, কেনেকৈ আহিব সেই সম্পৰ্কে ভৱিষৎবাণী কৰিব নোৱাৰি। আৰু মৃত্যুৰ দাবী হৈছে এনে যে মৃতকজন যাব লাগিব সম্পূৰ্ণ খালী হাতেৰে, তেওঁৰ সৰ্বস্ব এৰি যাব লাগিব। আধুনিক ক্ৰমোন্নত চিকিৎসা পদ্ধতিৰে মৃত্যুক যিমানে পিছুৱাই নাথাকো কিয় এদিন এটা মুহূৰ্তত মৃত্যুক আদৰণি জনাবলৈ আমি বাধ্য হ'বই লাগিব। সেয়েহে মৃত্যুভয় বা অভিনিৱেশে আমাৰ লোভ, লালসা আদিকো নিয়ন্ত্ৰণত ৰাখে। সেয়েহে সেই অনিয়ন্ত্ৰিত, দুৰ্ধষ মৃত্যুৰ ৰহস্য জানিবলৈ বিচাৰিছিল উদ্দালক আৰুণীৰ পুত্ৰ নচিকেতাই। জানিবলৈ বিচাৰিছিল মৃত্যুৰ অধিপতি যম ৰজাৰ পৰা।

যমে কৈছিল, “মৃত্যুৰ ৰহস্য অতি সূক্ষ্ম, দুৰ্বোধ্য, তুমি অন্য বৰ বিচাৰা।” কিন্তু মৃত্যুৰ গোপন ৰহস্য নাজানে বাবেই মানৱৰ জীৱনৰ আনন্দবোৰ সদায় দুখ মিশ্ৰিত। সেয়েহে নচিকেতাই সেই জ্ঞানকেহে বিচাৰিছে, তেওঁক অন্য একো নালাগে। যমে কৈছিল তেওঁ অন্য ভোগ্য বস্তু যি বিচাৰে সেই সকলোবোৰ প্ৰচুৰ পৰিমানে দিব। সেই ভঙ্গুৰ, নশ্বৰবোৰৰ প্ৰলোভন প্ৰত্যাখ্যান কৰি “তৃতীয়টো বৰত নচিকেতাই বিচাৰিছে মৃত্যু অৱস্থাৰ ৰহস্যৰ সম্ভেদ-আত্মাৰ অমৰত্ব মানে কি?” “অমৰত্ব” এই কথা সত্য নে? নে মৃত্যুত একোৱেই নাথাকে। কি থাকে মৃত্যুৰ পিছত- অস্তিত্ব নে অনস্তিত্ব? মৃত্যু হওঁতে বাৰু জীৱই গম পায়নে? এইবোৰ নচিকেতাৰ প্ৰশ্ন।

যমে উত্তৰ দিবলৈ টান পায় অন্য বৰ দিব খোজে। নচিকেতাই কৈছিল, তেওঁৰ সেইটো প্ৰশ্নৰ উত্তৰ মৃত্যুৰ অধিপতি যমে নিদিলে কোনে দিব পাৰিব? যমক তেওঁ কৈছিল, যিবোৰ ভোগ্য সামগ্ৰী দি যমে তেওঁৰ প্ৰশ্নটো এৰাব খুজিছে সেই সকলোবোৰ অশাশ্বত। “ন বিত্তেন তৰ্পনিয় মনুষ্যাঃ”- বিত্তৰ দ্বাৰা মানুহ কেতিয়াও সুখী হব নোৱাৰে। “হে যমৰাজ তোমাৰ প্ৰতি সদায় ভীতিগ্ৰস্ত হৈ থাকিবলগা মানৱ এইবিলাকেৰে সুখী হ'ব কেনেকৈ?”

নিৰুপায় যমে তৃতীয়টো বৰত সত্যকামীজনে বিচৰা শিক্ষা দান কৰিবলৈ বাধ্য হয়। কঠ উপনিষদত যমৰাজ হৈছে শিক্ষক বা গুৰু আৰু নচিকেতা হৈছে ছাত্ৰ বা শিষ্য। উপনিষদখনৰ আৰম্ভণিৰ মঙ্গলাচৰণত গুৰু-শিষ্যৰ সম্পৰ্কৰ এটি অতি গুৰুত্বপূৰ্ণ প্ৰাৰ্থনা আছে-

“অউম্ সহ নাববতু,  
সহ নৌ ভুনক্তু,  
সহ বীৰ্যং কৰবাবহৈ।  
তেজস্বি নাৱবধীতমস্তুঃ মা বিদ্বিষাবহৈ।।  
অউম্ শান্তিঃ শান্তিঃ শান্তিঃ।”  
এই প্ৰাৰ্থনাটিত কৈছে,

ব্ৰহ্মাই আমাৰ দুয়োকে ৰক্ষা কৰে যেন। দুয়োকে জ্ঞান প্ৰদান কৰে যেনঙ্গ আমি দুয়ো যেন জ্ঞান আহৰণ কৰা বীৰ্যৰ অধিকাৰী হওঁঙ্গ অধ্যয়নে আমাৰ দুয়োতে সত্য প্ৰকাশ কৰাওক। আমি যেন পৰস্পৰৰ প্ৰতি একো বিদ্বেষ নাৰাখো।”- গুৰু-শিষ্য দুয়ো একেলগে এই আবৃত্তিৰে জ্ঞান- অৰ্জনৰ বাবে প্ৰয়োজনীয় বীৰ্য্য তথা বিদ্বেষশূণ্যতা প্ৰাৰ্থনা কৰি অধ্যয়নৰ দ্বাৰা সত্য প্ৰাপ্তিৰে আলোকিত হ'বলৈ বিচাৰিছে।

যমে সত্যকামী নচিকেতাক শিক্ষাদান আৰম্ভ কৰিছে “প্ৰেয়” আৰু “শ্ৰেয় ৰ কথাৰে। সংসাৰত প্ৰেয় আৰু শ্ৰেয় দুইটাই থাকে। শ্ৰেয়ক বিচৰাজন জ্ঞানী আৰু প্ৰেয়ক বিচৰাজনে পৰমাৰ্থ কেতিয়াও নাপায়। ঐন্দ্ৰিয় সুখপ্ৰদ বা তৃপ্তিদায়কবোৰ হ'ল প্ৰেয় আৰু কল্যাণ-প্ৰদ হ'ল শ্ৰেয়। নচিকেতাই যিহেতুকে প্ৰেয়ৰ প্ৰলোভনত বান্ধ নাখাই শ্ৰেয়কে বিচাৰি থাকিল, সেয়ে তেওঁ সেই

পৰমাৰ্থ জ্ঞান পাবৰ যোগ্য।

যমে কৈ গৈছে, প্ৰেয় আৰু শ্ৰেয়ৰ পথ হৈছে ক্ৰমে অবিদ্যা আৰু বিদ্যাৰ পথ। অবিদ্যাৰ পথ এৰি নচিকেতাই বিদ্যাৰ পথকে ধৰিছে। সত্য সদায় লুকাই থাকে আৰু অবিদ্যা আশ্ৰয়ী অজ্ঞানীৰ ওচৰত ব্যক্ত নহয়। অবিদ্যাত থকা জনে ঐহিকতাকে সৰ্বস্ব বুলি ভাবে। তেনেজন বাৰম্বাৰ যমৰজাৰ কবললৈ যায়। “তুমি সেই প্ৰীতিপদ সম্পদৰ বান্ধৰ পৰা নিৰ্মোহ বিবেচনাৰে-বিদ্যাৰে যুক্ত হৈ থাকিব পাৰিছা। তুমি ধন্য নচিকেতা, অবিদ্যা এৰি বিদ্যাৰ, প্ৰেয় এৰি শ্ৰেয়ৰ পথ ধৰিছা। তুমি এই ৰহস্য জ্ঞান লোৰাৰ যোগ্য ছাত্ৰ। প্ৰীতিপদ সম্পদৰ প্ৰত্যাখ্যানেৰে তোমাৰ অন্তৰেন্দ্ৰিয় এতিয়া আত্মজ্ঞান পাবলৈ সাজু আছে। তোমাৰ দৰে শিষ্য পোৱাও ভাগ্যৰ কথা।”

শ্ৰেয় বা নিঃশ্ৰেয়স প্ৰাপ্তি হৈছে আত্মাৰ বোধ। আত্মাৰ কথা জানিবলৈ বহুতে সুবিধাই নাপায়, বহুতে শুনিও একো বুজিব নোৱাৰে। আত্মাতত্ত্বৰ বিষয়ে কোৱা যোগ্য বক্তা পাবলৈ টান। “যথাৰ্থ জ্ঞান নথকাজনৰ পৰা আত্মাতত্ত্ব জানিবলৈ বিচাৰিলে লাভ নহয়, হানি বিস্তৰ। সূক্ষ্মতকৈ সূক্ষ্ম আত্মা যিহেতু অকথনীয় সেয়ে ইয়াৰ ধাৰণা তৰ্ক বা যুক্তিয়ে দিব নোৱাৰে। কেৱল জ্ঞানী আচাৰ্যৰ লগত হোৱা অন্তৰৰ সংযোগত হে আত্মজ্ঞান সম্ভৱ। অজ্ঞানী গুৰুৰ পথ নিৰ্দেশনাত খোজ দিয়া কথা হ'ব “অন্ধেনৈব নিয়মানা যথান্ধাঃ”- অন্ধই অন্ধক বাট দেখুওৱাৰ দৰে মুৰ্খামি। তেনেজন বাৰে বাৰে মোৰ কবললৈ আহি থাকে, পুনৰ মৃত্যুৰ শিকলিত ঘুৰি থাকে।”

“পাৰ্থিৱ ধন-সম্পত্তি অশাশ্বত, অস্থায়ী, অশাশ্বতৰ দ্বাৰা শাশ্বত প্ৰাপ্তি সম্ভৱ নহয়। অনিত্যৰ দ্বাৰা নিত্যক নাপায়। কিন্তু মই যি নচিকেতা অগ্নি প্ৰজ্বলন কৰিছোঁ তাৰে, অনিত্যৰ নিত্য প্ৰাপ্তি সম্ভৱ হৈ উঠিব। “নচিকেতা চিৰদিনলৈ থাকিব।” (কঠ উপনিষদ ১-২-১০)।

যমে দিয়া শিক্ষা হৈছে শ্ৰেয়ৰ পথেৰে গৈ মানৱে অমৰত্ব পাব। তেনেজন যমৰ কবলত নপৰে। যমে নচিকেতাক কোৱা কথাত কঠ উপনিষদত আমি ভগৱদগীতাৰে বহুখিনি পূৰ্বাভাস পাওঁ। যমে কৈছিল জন্ম-মৃত্যু আত্মাৰ নাই। নশ্বৰ শৰীৰ বা প্ৰাণ আদিয়ে মানৱ সত্তা নহয়, তেওঁৰ আছে অবিনশ্বৰ সাৰসত্তা। এই সাৰসত্তা হৈছে ব্ৰহ্ম, যি মৃত্যুহীন গোপন সত্তা অনাদি কালৰ পৰা অনন্তকাললৈ বিৰাজ কৰে।

জ্ঞান আহৰণৰ আমাৰ সাধাৰণ মাধ্যম বোৰৰ যোগেদি আত্মাক নাপায়। যমে কৈছে,

“নায়মাত্মা প্ৰবচনেন লভ্যো ন মেধয়া ন বহুনা শ্ৰুতেন।

যমেবৈষ বৃনতে তেন লভ্যস্তস্যৈষ আত্মা

বিবৃণুতে তনুংস্বাম।” (কঠ উপনিষদ ১-২-২৩)

আত্মা যিহেতুকে “মহতো মহিয়ান তথা “অনোৰেনিয়ান”- বিৰাটতকৈও বিৰাট আৰু অনুতকৈও সৰু অৰ্থাৎ বিৰোধী গুণ যুক্ত- বহি থাকোঁতেই দূৰলৈ গৈ থাকে, শুই থাকোঁতে সকলো স্থানলৈ যায়-“আসীনো দূৰং ব্ৰজতি শয়নো যাতি সৰ্বতঃ।”-তেনে আত্মাক আমাৰ জ্ঞান আহৰণৰ সাধাৰণ মাধ্যমবোৰৰ পৰা জনা নাযায়। অধ্যয়ন, মেধা বা বহু শাস্ত্ৰৰ শ্ৰৱণৰ দ্বাৰাও জানিব নোৱাৰি। আত্মা বা ব্ৰহ্মই নিজে বৰণ কৰা কৃপাধন্য জনেহে আত্মাৰ জ্ঞান পাব পাৰে। তেনেজনৰ জ্ঞানত আত্মা নিজে ব্যক্ত হয়। আকৌ কৈছে যে যিজন সূক্ষ্মবুদ্ধিসম্পন্ন তেওঁহে কেৱল অন্তঃপ্ৰজ্ঞাৰে (by intuition) আত্মাৰ সন্ধান পাব পাৰে।

“এষ সৰ্বেষু ভূতেষু গূঢ়োহাত্মা ন প্ৰকাশতে।

দৃশ্যতে ত্বগ্ৰ্যয়া বুদ্ধ্যা সুক্ষ্ময়া সুক্ষ্মম্মদৰ্শিভিঃ ।। (কঠ উপনিষদ ১-৩-১২)

শ্রেয়ৰ পথলোৱাজনে ব্ৰহ্মাৰ কৃপাধন্য হৈ ব্ৰহ্মাক জানিব পাৰে আৰু তেনেজনে যমৰ শাসনৰ বাহিৰত বা পুনৰ-মৃত্যুৰ শৃংখলৰ বাহিৰত থাকিব পাৰে।

আত্মজ্ঞানৰ শিক্ষাদান দি যমে কৈছে-

"উত্তিষ্ঠত জাগ্রত প্রাপ্য বৰান নিবোধত

ক্ষুৰস্য ধাৰা নিশিতা দূৰত্যয়া

দূৰ্গং পথস্তৎ কবয়ো বদন্তি।। (কঠ উপনিষদ- ১-৩-১৪)

তোমাৰ বৰপ্ৰাপ্ত হৈ উঠা, জাগা, বুজি উঠা। অতি কঠিন এই পথ তীক্ষ্ণ ক্ষুৰধাৰ। জ্ঞানী পণ্ডিতেও তত্ত্ব পাব নোৱাৰা কঠিন।" এই বিদ্যাৰ পথ ল'লেই শ্রেয়ক পাবা যমৰ ভীতিগ্ৰস্ততাৰ পৰা মুক্ত হ'বা। মন, বুদ্ধি ইন্দ্ৰিয়ৰ অতীত হৈ থাকে অব্যক্ত আৰু অব্যক্তৰ অতীত সেই "পুৰুষক" জানিলেই অমৰত্ব প্ৰাপ্তি ঘটে। "অব্যক্তাত্তু পৰঃ পুৰুষো ব্যাপকোহলিঙ্গ এবচ। যং জ্ঞাত্বা মুচ্যতে জন্তুৰ মৃতত্বঞ্চ গচ্ছতি।।" (২-৩-৮)

ব্ৰহ্মাই সেই পুৰুষ যাৰ কথা কৈছে-

"ভয়াদস্যাগ্নিস্তপতি ভয়াত্তপতি সূৰ্যঃ।

ভয়াদিন্দ্ৰশ বায়ুশ্চ মৃত্যুৰ্ধাবতি পঞ্চমঃ ।।" (কঠ-উপনিষদ ২-৩-৩)

যম নচিকেতা সম্বাদৰ যমৰ বাৰ্ত্তাত থকা সেই অব্যক্তৰ অতীত পৰম পুৰুষ জনাৰ কথাই যাৰ ভয়ত অগ্নি, সূৰ্য, ইন্দ্ৰ, চন্দ্ৰ, বায়ু আদি দেৱতাসকল নিজ নিজ কামত ৰত থাকে, মৃত্যু যাৰ ভয়ত পলায় সেই ব্ৰহ্মাই পৰমাত্মা তথা ভগৱান ৰূপে গীতা, ভাগৱতৰ মাজেদি আহি শংকৰদেৱৰ কীৰ্ত্তনত স্থিতি লোৱা দেখিবলৈ পাওঁ-

গুৰুজনে কালভুজঙ্গ অৰ্থাৎ যমৰজাৰ ভয়ত যোগীসকলেও যাক সেৱা কৰে সেইজনৰ প্ৰসঙ্গ আনি কৈছে-

"মহা বলৱন্ত কাল ভুজঙ্গক ভয়।

যাক সেৱা কৰন্ত সদায় যোগীচয়।।

পলায় জগতৰ মৃত্যু যি প্ৰভুক ডৰে।

যাক ভয়ে চন্দ্ৰ সূৰ্য পৱন সঞ্চাৰে।।

হেন জগন্নাথ অনাথৰ ইষ্টদেৱ।

হৰি বিনে আৰৰ তাৰন্তা নাহি কেৱ।।"

(গজেন্দ্ৰোপাখ্যান কীৰ্ত্তন ৫০৩)

**সামৰণিঃ**

কঠোপনিষদৰ এই যম-নচিকেতা সংবাদ বৰ্তমান ভোগবাদী সমাজৰ বাবে প্ৰাসংগিক কাৰণ ই মানুহক সাময়িক পাৰ্থিৱ সুখৰ পৰিৱৰ্তে শ্রেয়ৰ পথ গ্ৰহণ কৰি আত্মোপলব্ধিৰ জৰিয়তে নৈতিক তথা আধ্যাত্মিক উৎকৰ্ষ সাধন কৰিবলৈ অনুপ্ৰেৰণা প্ৰদান কৰে। ওপৰোক্ত অধ্যয়নৰ জৰিয়তে মানুহে জীৱনৰ এক চিৰন্তন সত্যক উপলব্ধি কৰিব পাৰিব। প্ৰেয় আৰু শ্রেয়ৰ জ্ঞান লাভ কৰি জীৱনৰ ক্ষন্তেকীয়া সুখ-ভোগ, আনন্দ-বিলাস যে তুচ্চ আৰু পৰম কল্যাণৰ পথ যে স্থায়ী সেই সম্পৰ্কে উপলব্ধি কৰিব পাৰিব। নচিকেতাই যিহেতু শ্রেয়ৰ পথ গ্ৰহণ কৰি জীৱনৰ চিৰন্তন সত্য উদঘাটনেৰে এক আদৰ্শ দাঙি ধৰিবলৈ সক্ষম হৈছে , গতিকে বৰ্তমান প্ৰজন্ময়েও নচিকেতাৰ আদৰ্শক অনুসৰণ কৰি জীৱনৰ প্ৰকৃত সত্যক উপলব্ধি কৰিব পাৰিব।

**সহায়ক গ্ৰন্থপঞ্জীঃ**


শৰ্মা, তপেশ্বৰ (২০১৪)। উপনিষদ। বনলতা।

দত্তবৰুৱা, হৰিনাৰায়ণ (সম্পা.) (২০০৮)। শ্ৰীমন্ত শঙ্কৰদেৱ বিৰচিত কীৰ্ত্তন (পদ সংখ্যা ৫০৩)। দত্তবৰুৱা পাবলিছিং।

Dasgupta, S.N. (2009). *Hindu Mysticism*. Motial Banarsidass Publishers.

Dasgupta, S.N. (2011). *A History of Indian Philosophy (Vol. I)*. Motilal Banarsidass.

Mehta, R. (2007). *The Call of the Upanishads*. Motilal Banarsidass.

Muller, M. (Ed.) (2011). *The Upanishads (Vol. 1). Sacred Books of the East.* Motilal Banarsidass Publishers Pvt.Ltd.

Radhakrishan, S. (1994). *The Principal Upanishads*. Harper Collins Publishers.